**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::::***

১। পাঁচ দেশীয় ভ্ৰমণৰ তৃতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ছুইডেনৰ গোটেনবাৰ্গত উপস্থিত হ'ব।

২। ২০২৭ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ গণনাৰ বাবে ক্ষেত্ৰভিত্তিক কাৰ্যকলাপ ৫খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আৰম্ভ হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত নিয়মীয়া মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

৪। সমগ্ৰ বিশ্বতে আজি বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰা হৈছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে আৰু ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

পাঁচ দেশীয় ভ্ৰমণৰ তৃতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ছুইডেনৰ গোটেনবাৰ্গত উপস্থিত হ'ব। এই দুদিনীয়া ভ্ৰমণ ভাৰত-ছুইডেন সম্পৰ্কৰ ঐতিহাসিক মাইলৰ খুঁটি ৰূপে বিবেচিত হৈছে। এই ভ্ৰমণত প্ৰধানমন্ত্ৰী মোদীয়ে ছুইডেনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই বাণিজ্য, সেউজ স্থানান্তৰ, কৃত্ৰিম বুদ্ধিমত্তা, আধুনিক প্ৰযুক্তি, ষ্টাৰ্টআপ, যোগান শৃংখলা, প্ৰতিৰক্ষা, মহাকাশ, জলবায়ু সম্বন্ধীয় কাম-কাজ, গণসংযোগ আদি বিভিন্ন ক্ষেত্ৰত দুয়োখন দেশৰ মাজত থকা সম্বন্ধৰ আলোচনা কৰিব। শ্ৰীমোদী আৰু শ্ৰীক্ৰিষ্টাৰছনে ইউৰোপৰ উদ্যোগপতিসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত ইউৰোপীয়ান আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভন ডেৰ লেয়েনো উপস্থিত থাকিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ইতিমধ্যে সংযুক্ত আৰব আমিৰশ্বাহি আৰু নেডাৰলেণ্ডছ ভ্ৰমণ সম্পূৰ্ণ কৰিলে। চলিত বৰ্ষৰ জানুৱাৰীত হোৱা ভাৰত-ইউৰোপীয়ান ইউনিয়ন মুক্ত বাণিজ্য চুক্তিৰ পাছত এয়া হৈছে প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথম ইউৰোপ ভ্ৰমণ। ভাৰত-ছুইডেনৰ মাজত দ্বিপাক্ষিক বাণিজ্যই যোৱা বছৰ ৭দশমিক ৭-৫ বিলিয়ন আমেৰিকান ডলাৰৰ অভিলেখ গঢ়িছিল। ছুইডেনে ২০০০ ৰ পৰা ২০২৫ চনলৈকে ভাৰতত দুই দশমিক ৮ বিলিয়ন ডলাৰ বিনিয়োগ কৰিছে।

কালি ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী নেডাৰলেণ্ডছত উপস্থিত হৈছিল। এই ভ্ৰমণত দি হেগত তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কক নতুন মাত্ৰা দিয়াত সহমত প্ৰকাশ কৰে। তেওঁলোকে দুয়োখন দেশৰ মাজত থকা বাণিজ্য, প্ৰতিৰক্ষা, প্ৰযুক্তি, জল ব্যৱস্থাপনা, পৰিস্কাৰ শক্তি, স্বাস্থ্যসেৱা, শিক্ষা আদি ক্ষেত্ৰত থকা সহযোগিতাৰ পৰ্যালোচনা কৰে। দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে নেডাৰলেণ্ডছক ভাৰতৰ অন্যতম প্ৰধান ইউৰোপীয় অংশীদাৰ হিচাপে বৰ্ণনা কৰে। শ্ৰীমোদীয়ে কালি দি হেগৰ প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০০০০০

হৰমুজ প্ৰণালীত বাণিজ্যিক জাহাজত হোৱা আক্ৰমণক ভাৰতে কঠোৰ ভাষাৰে গৰিহণা দিছে। এনে কাৰ্য গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ীপ্ৰতিনিধি পৰ্বথানেনি হৰিশে কয়, যে অসামৰিক নাবিকক আক্ৰমণৰ লক্ষ্য কৰি লোৱা আৰু জলপথৰ স্বাধীনতাক বিঘ্নিত কৰা কাৰ্য কোনোপধ্যেই সহ্য কৰা নহ'ব। তেওঁ ৰাষ্ট্ৰ সংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ গোলকীয় শক্তি আৰু সৰবৰাহ শৃংখলাৰ সুৰক্ষা সম্বন্ধীয় এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰি এইদৰে কয়।

অলপতে ওমানৰ উপকূল অঞ্চলত ভাৰতৰ ধবজাবাহী এখন বাণিজ্যিক জাহাজত আক্ৰমণ হৈছিল। ওমানৰ প্ৰশাসনে ছুমালিয়াৰ পৰা অহা জাহাজখনত থকা ১৪গৰাকী নাবিকৰ সকলোকে উদ্ধাৰ কৰে। এই জাহাজখনৰ আক্ৰমণকাৰী এতিয়ালৈকে চিনাক্ত হোৱা নাই। চলিত বছৰত ইয়াৰ পূৰ্বে ভাৰতৰ ধবজাবাহী কমেও দুখন জাহাজ আক্ৰমণৰ বলি হৈছিল।

০০০০০০০০০

২০২৭ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ গণনাৰ বাবে ক্ষেত্ৰ ভিত্তিক কাৰ্যকলাপ ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আৰম্ভ হৈছে। ৰাজস্থান, মেঘালয়, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু দিল্লী ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ পৌৰ সভা এলেকাত এই গণনা আৰম্ভ হৈছে। ইফালে অন্ধ্ৰ প্ৰদেশ, অৰুণাচল প্ৰদেশ, বিহাৰ, চণ্ডীগড়, ছত্তিচগড়, দাদৰা আৰু নগৰ হাভেলী, দমন আৰু দিউ, হাৰিয়ানা, মধ্য প্ৰদেশ, পঞ্জাব, তেলেংগানা আৰু উত্তৰাখণ্ডত গৃহ তালিকাভুক্তকৰণৰ কাম চলি আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জনোৱা অনুসৰি ব্যাপক আৰু সঠিক তথ্য নিশ্চিত কৰিবলৈ গণনা প্ৰক্ৰিয়াত প্ৰথমবাৰৰ বাবে ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। ক্ষেত্ৰ ভ্ৰমণৰ সময়ত গৃহৰ অৱস্থা, ঘৰৰ সবিশেষ, উপলব্ধ সুবিধা আৰু পৰিয়ালৰ হাতত থকা সম্পত্তিৰ সৈতে জড়িত তথ্যসমূহ ৩৩ টা প্ৰশ্ন সম্বলিত প্ৰশ্নাৱলীৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে গুজৰাট, জম্মু-কাশ্মীৰ, লাডাখ আৰু পুডুচেৰীত আজি আৰম্ভ হোৱা স্ব-গণনাৰ সুবিধা চলিত মাহৰ ৩১ তাৰিখলৈকে উপলব্ধ হ'ব। উত্তৰ প্ৰদেশতো এই স্ব-গণনা ২১ মে পৰ্যন্ত চলিব। লোকপিয়লৰ কাৰ্যকলাপত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা স্ব-গণনাৰ সুবিধাই জনসাধাৰণৰ পৰা উৎসাহজনক সহাঁৰি লাভ কৰিছে। ইতিমধ্যে ২৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১ কোটি ৪৪ লাখতকৈ অধিক পৰিয়ালে চৰকাৰী প'ৰ্টেলৰ জৰিয়তে স্ব-গণনা সম্পন্ন কৰিছে। এই প্ৰক্ৰিয়াই লোকপিয়লক ডিজিটেলাইজ  কৰাৰ লগতে দেশৰ নাগৰিকক লোকপিয়লত অংশগ্ৰহণ কৰিবলৈ সুবিধাজনক আৰু সুৰক্ষিত মঞ্চ প্ৰদান কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত নিয়মীয়া **মন কী বাত** অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ট'লফ্ৰী নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে পৰামৰ্শ দিব পাৰিব। তেওঁলোকে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুক্ত মঞ্চৰ জৰিয়তেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। নাগৰিকসকলে ১৯২২ত মিছকল দিলে পোৱা এছ এম এছত উল্লেখ থকা লিংকত ক্লিক কৰিও প্ৰধানমন্ত্ৰীলৈ প্ৰত্যক্ষভাৱে দিহা-পৰামৰ্শ দিব পাৰিব। মন কী বাতৰ এই খণ্ডৰ বাবে ২৯ মে'লৈকে মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০০০০০০

সমগ্ৰ বিশ্বতে আজি বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰা হৈছে। উচ্চ ৰক্তচাপ সজাগতা মাহৰ অংশ হিচাপে এই দিনটো পালন কৰা হয়। এই দিৱসৰ উদ্দেশ্য হৈছে উচ্চ ৰক্তচাপৰ বিষয়ে সজাগতা বৃদ্ধি কৰা, প্ৰতিৰোধ কৰা, বেমাৰ ধৰা পেলোৱা, নিয়ন্ত্ৰণৰ প্ৰসাৰ কৰা আৰু ব্যক্তিগত তথা সামূহিক স্বাস্থ্য ব্যৱস্থা উৎসাহিত কৰা। এই বছৰৰ বিষয়বস্তু হৈছে **একেলগে উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণ কৰাঃ ৰক্তচাপ নিয়মিতভাৱে পৰীক্ষা কৰা, নিৰৱ ঘাটকক পৰাস্ত কৰা**।

সমগ্ৰ বিশ্বতে প্ৰায় এহেজাৰ ৪০০ কোটি লোক উচ্চ ৰক্তচাপত আক্ৰান্ত। ফলপ্ৰসু আৰু সুলভ চিকিৎসা ব্যৱস্থা থকাৰ পাছতো বহু লোক নিজৰ অৱস্থাৰ বিষয়ে সচেতন নোহোৱাৰ বাবেই উচ্চ ৰক্তচাপত আক্ৰান্ত প্ৰতি ৪ জন লোকৰ ভিতৰত এজনৰহে ৰক্তচাপ নিয়ন্ত্ৰণ কৰিব পৰা যায়।

০০০০০০০০০

বিশ্ব স্বাস্থ্য সংস্থাই কংগো গণৰাজ্য আৰু উগাণ্ডাত ইবোলা প্ৰাদুৰ্ভাৱক আন্তৰ্জাতিক চিন্তাৰ বিষয় আৰু জনস্বাস্থ্য জৰুৰীকালীন অৱস্থা বুলি ঘোষণা কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালকে তিনিশৰো অধিক সন্দেহযুক্ত ৰোগী আৰু ৮৮ জন লোকৰ মৃত্যু হোৱাৰ পাছত এই ঘোষণা কৰিছে। সংস্থাটোৱে সামাজিক মাধ্যমৰ বাৰ্তাত ইবোলাই ক'ভিদ ১৯ মহামাৰীৰ দৰে জৰুৰীকালীন অৱস্থা সৃষ্টি কৰা নাই বুলি স্পষ্ট কৰি দিয়ে আৰু আন্তঃৰাষ্ট্ৰীয় সীমা বন্ধ নকৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০০০০০

নেপালৰ পৰ্বতাৰোহী কামি ৰিতা শ্বেৰ্পাই বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট ৩২বাৰ আৰোহণ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। তেওঁ আজি পুনৰ শৃংগটো জয় কৰি নিজৰেই পূৰ্বৰ অভিলেখ ভংগ কৰে। নেপালৰ কোশি প্ৰদেশৰ ছ'লুখুংবু জিলাত জন্ম হোৱা ৫৬ বছৰীয়া পৰ্বতাৰোহীজনে ১৯৯৪ চনত প্ৰথমবাৰৰ বাবে এভাৰেষ্ট শৃংগত আৰোহণ কৰিছিল। যোৱা বছৰৰ ২৭ মে'ত তেওঁ ৩১ সংখ্যক বাৰৰ বাবে শৃংগটো জয় কৰিছিল।

ইপিনে, পৰ্বত ৰাণী হিচাপেখ্যাত নেপালৰ মহিলা পৰ্বতাৰোহী লাকপা শ্বেৰ্পাই মাউণ্ট এভাৰেষ্ট একাদশ সংখ্যক বাৰৰ বাবে আৰোহণ কৰি এই ক্ষেত্ৰত অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে।

০০০০০০০০০

থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত আজি ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ চেট্টিৰ যুটীটো  ১২-২১, ২৩-২৫ৰ ব্যৱধানত  ইণ্ডোনেছিয়াৰ লিঅ' ৰোলী ক'র্নেডো আৰু ডেনিয়েল মার্টিনৰ হাতত পৰাস্ত হয়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইটৰাইডাৰ্ছে গুজৰাট টাইটানছক ২৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশৰ আশা সজিৱ কৰি ৰাখে। গুজৰাট টাইটানছে ২৪৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ২১৮ ৰান কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ অধিনায়ক শুভমন গীলে সৰ্বাধিক ৮৫ ৰান কৰে। ছাই সুদৰ্শনে ৫৩ আৰু য'ছ বাটলাৰে ৫৭ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৈ সুনীল নাৰায়ণে দুটা উইকেট লাভ কৰে। নাৰায়ণক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে কলকাতা নাইটৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰে। কলকাতাৰ হৈ অ'পেনাৰ ফিন এলনে সৰ্বাধিক ৯৩ ৰান কৰে।

০০০০০০০০০

সমাপ্ত